**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-JUNE-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

——————————————

১। আগষ্টৰ প্ৰথম সপ্তাহৰ পৰা হিতাধিকাৰীসকলে অৰুণোদয় আঁচনিৰ ধন পুনৰ নিয়মিতভাৱে লাভ কৰিব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। ৰাজ্যৰ চাৰিবিধ সাংস্কৃতিক আৰু কাৰুশিল্পজাত সামগ্ৰীৰ ভৌগোলিক সূচ্যাংক লাভ।

৩। স্বাধীনতা সেনানী শ্বহীদ কুশল কোঁৱৰৰ স্মৃতি দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰানৰ ১০৭ দিনীয়া যুদ্ধৰ অৱসান ঘটাই হৰমুজ প্ৰণালী মুকলিৰ বাবে চুক্তি চূড়ান্ত।

*আৰু*

৫। মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ ৬৪ ৰানত জয়লাভ।

০০০০০০

অহা আগষ্টৰ প্ৰথম সপ্তাহৰ পৰা হিতাধিকাৰীসকলে অৰুণোদয় আঁচনিৰ ধন পুনৰ নিয়মিতভাৱে লাভ কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে ফেচবুক লাইভযোগে কালি এই কথা সদৰি কৰি কয়, যে সুলভ মূল্যত চেনী, দাইল আদিও আগষ্টৰ পৰাই জনসাধাৰণে লাভ কৰিব। এই সন্দৰ্ভত জুলাইত উত্থাপন হ'বলগীয়া পূৰ্ণাংগ বাজেটত সবিশেষ উল্লেখ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ লগতে নিযুত মইনা, নিযুত বাবু, জীৱন প্ৰেৰণা আদি জনকল্যাণমূলক আঁচনিসমূহো অহা আগষ্টৰ পৰা পুনৰ নিয়মীয়াকৈ চলিব বুলি জানিবলৈ দিয়ে।

বাইট

ড° শৰ্মাই গুৱাহাটীৰ ৰিং ৰোড, কাজিৰঙাৰ এলিভেটেড কৰিড'ৰৰ লগতে ১৮ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া নুমলীগড় আৰু গহপুৰৰ মাজৰ সুৰংগ কাম শীঘ্ৰেই আৰম্ভ হ'ব বুলি জানিবলৈ দিয়ে। তদুপৰি বাইহাটা চাৰিআলিৰ পৰা তেজপুৰৰ মিছন চাৰিআলিলৈকে ৪ টা লেনযুক্ত পথ, গুৱাহাটী বিমান বন্দৰৰ পৰা জালুকবাৰীলৈ এলিভেটেড কৰিডৰ, শিলিগুৰিৰ পৰা শিলচৰ সংযোগী এক্সপ্ৰেছ হাইৱে আদিকে ধৰি বহুকেইটা নতুন প্ৰকল্পৰ কামো বাস্তৱ হোৱাৰ দিশে আগবাঢ়িছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ড° শৰ্মাই ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে ৫০০ কোটি টকাৰ উন্নয়নমূলক পুঁজিত অনুমোদন জনোৱা হৈছে বুলি জানিবলৈ দিয়ে।

বাইট

০০০০০০

ৰাজ্যৰ চাৰিবিধ সাংস্কৃতিক আৰু কাৰুশিল্পজাত সামগ্ৰীয়ে GI TAG অৰ্থাৎ ভৌগোলিক সূচ্যাংক লাভ কৰিছে। শেহতীয়াকৈ GEOGRAPHICAL INDICATIONS REGISTRY-এ বিহু পেঁপা, বাঁহ শিল্প, কাৰ্বি আংলঙৰ হস্ততাঁত শিল্প আৰু দেউৰী সম্প্ৰদায়ৰ হস্ততাঁত শিল্পক স্বীকৃতি প্ৰদান কৰিছে। ইয়াৰ লগে লগে ৰাজ্যৰ থলুৱা কাৰুশিল্প আৰু সাংস্কৃতিক পৰিচয়ৰ বৈচিত্ৰ্যপূৰ্ণ দিশসমূহ উদ্ভাসিত

হোৱাত সহায়ক হৈ পৰিব। নতুনকৈ ভৌগোলিক সূচ্যাংক লাভ কৰা এই চাৰিবিধ সামগ্ৰীয়ে জনজাতীয় ঐতিহ্য, সংগীত বিজ্ঞান আৰু প্ৰাকৃতিক সম্পদৰ কাৰুশিল্পৰ বৰ্ণাঢ্য দিশ সামৰি লৈছে। এই স্বীকৃতিলাভৰ প্ৰক্ৰিয়াত ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক নাবাৰ্ডৰ অসম শাখাই সহায় কৰিছে। নাবাৰ্ডৰ অসম শাখাৰ মুখ্য প্ৰবন্ধক লোকেন দাসে এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত কয়, যে ঐতিহ্য সংৰক্ষণৰ গুৰুত্বৰ লগতে কাৰুশিল্পীসকলৰ অৰ্থনৈতিক বহনক্ষমতা নিশ্চিত কৰাৰ বাবে নাবাৰ্ডে ভৌগোলিক সূচাংক প্ৰমাণ পত্ৰ লাভ প্ৰক্ৰিয়াক সক্ৰিয়ভাৱে সমৰ্থন যোগাই আহিছে। এই স্বীকৃতিয়ে সামগ্ৰীসমূহৰ পৰিচয় আৰু নিৰ্ভৰযোগ্যতাক সুদৃঢ় কৰাই নহয়, বৰং ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ইয়াৰ বজাৰ লাভৰ সম্ভাৱনা বৃদ্ধি কৰিব বুলি নাবাৰ্ডৰ অসম শাখাৰ মুখ্য প্ৰবন্ধকগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে নাবাৰ্ডৰ সহযোগত অসমৰ ভৌগোলিক সূচ্যাংক লাভ কৰা সামগ্ৰীৰ সংখ্যা ১২ টালৈ বৃদ্ধি পালে। এই স্বীকৃতি পোৱাৰ ফলত এনে সামগ্ৰীসমূহৰ বিনা অনুমতিত অনুকৰণ আৰু অপব্যৱহাৰৰ বিৰুদ্ধে আইনী সুৰক্ষা লাভ কৰিব।

oooooo

স্বাধীনতা সেনানী তথা ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ শ্বহীদ কুশল কোঁৱৰৰ স্মৃতি দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। ভাৰত ত্যাগ আন্দোলনৰ সময়ত গোলাঘাট জিলাৰ সৰু পথাৰত ৰে'ল দুৰ্ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত স্বাধীনতা সেনানীগৰাকীক ব্ৰিটিছ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি মৃত্যুদণ্ডৰ হুকুম দিছিল। ১৯৪৩ চনৰ আজিৰ দিনটোতে কুশল কোঁৱৰক যোৰহাট কেন্দ্ৰীয় কাৰাগাৰত ফাঁচী দিয়া হৈছিল। অহিংস নীতিৰে স্বাধীনতা আন্দোলনত যোগ দিয়া সেনানীগৰাকী গোলাঘাট জিলা কংগ্ৰেছৰ সম্পাদকৰ দায়িত্বও পালন কৰিছিল। আজি স্মৃতি দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শ্বহীদগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে অসীম দেশপ্ৰেম আৰু আত্মবলিদানৰ অজেয় প্ৰতীক শ্বহীদ কুশল কোঁৱৰৰ পুন্য তিথিত তেখেতলৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁ কয়, যে দেশমাতৃৰ মুক্তিৰ বাবে কুশল কোঁৱৰৰ আত্মোৎসৰ্গৰ গৌৰৱগাথাই আমাৰ জাতীয় চেতনাক চিৰকাললৈ উদ্বুদ্ধ কৰি ৰাখিব।

oooooo

ৰাজ্যৰ কৃষি খণ্ডক অধিক শক্তিশালী কৰি কৃষকসকলৰ উপাৰ্জন বৃদ্ধি কৰাৰ লক্ষ্যৰে কৃষিমন্ত্ৰী পিযুষ হাজৰিকাই কালি বিভিন্ন জিলাৰ কৃষি বিষয়া তথা অভিযান্ত্ৰিক কোষৰ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত কৃষকসকলৰ সমস্যাৰ বুজ লোৱাৰ লগতে কৃষকৰ চৰকাৰী পঞ্জীয়ন বৃদ্ধি কৰাৰ বাবে বিষয়াসকলক নিৰ্দেশ দিয়া হয়। তদুপৰি মাটিৰ গুণাগুণৰ ওপৰত ভিত্তি কৰি বীজ বিতৰণ, গছপুলি আৰু সাৰ বিতৰণৰ বাবে বিশেষ ব্যৱস্থা কৰিবলৈও শ্ৰীহাজৰিকাই নিৰ্দেশ দিয়ে। তেওঁ কৃষি বিভাগৰ বিষয়া কৰ্মচাৰীসকলক সঠিক সময়ত কাৰ্যালয়ত উপস্থিত হোৱাৰ লগতে নিৰ্ধাৰিত সময়ত কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। ১৫ দিনৰ ভিতৰত সকলো জিলা কৃষি বিষয়া, কৃষক উৎপাদক কেন্দ্ৰসমূহলৈ যাব লাগিব বুলিও মন্ত্ৰীগৰাকীয়ে কয়। তদুপৰি কৃষকক বীজ দেৰিকৈ দিয়া বিষয়াৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে সঁকিয়াই দিয়ে। প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিকে ধৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কৃষি খণ্ডৰ সৈতে জড়িত প্ৰতিখন জনকল্যানমূলক আঁচনি সফল ৰূপায়ণৰ জৰিয়তে কৃষকসকলক উচিত মৰ্যাদা প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ বুলি তেওঁ উল্লেখ কৰে। বৈঠকত কৃষিমন্ত্ৰীগৰাকীয়ে কৃষকৰ উপাৰ্জন দুগুণলৈ বৃদ্ধি কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰানে ১০৭ দিনীয়া যুদ্ধৰ অৱসান ঘটাই হৰমুজ প্ৰণালী মুকলি কৰাৰ বাবে এখন চুক্তি চূড়ান্ত কৰিছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে সামাজিক মাধ্যমৰ এটা বাৰ্তাত যোৱা নিশা এই কথা সদৰি কৰি কয়, যে এই চুক্তিৰ লগে লগে ইৰানৰ বন্দৰত আমেৰিকাৰ নৌসেনাৰ অৱৰোধৰ অন্ত পৰিব। ছুইজাৰলেণ্ডত অহা ১৯ জুনত শান্তি চুক্তিত স্বাক্ষৰ কৰা হ'ব। এই চুক্তিত আনুষ্ঠানিকভাৱে স্বাক্ষৰ কৰাৰ পাছতেই অহা শুকুৰবাৰে হৰমুজ প্ৰণালী মুকলি কৰা হ'ব বুলি ট্ৰাম্পে প্ৰকাশ কৰিছে। তেওঁ কয়, যে এই চুক্তিয়ে সমগ্ৰ মধ্যপ্ৰাচ্যলৈ শান্তি আৰু নিৰাপত্তা ঘূৰাই আনিব। এই চুক্তিৰ অধীনত ইৰানৰ পৰমাণু সংবৰ্ধন আৰু ৬০ দিনৰ ভিতৰত অত্যাধিক সংবৰ্ধিত ইউৰেনিয়াম নিষ্কাশনৰ বিষয়ে আলোচনা কৰাৰ বাবে দুয়োখন দেশক আহ্বান জনোৱা হৈছে। ইৰানৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদে জনোৱা মতে লেবাননকে ধৰি সকলো খণ্ডৰ যুদ্ধ আৰু সামৰিক অভিযান আজি নিশাৰে পৰা স্থায়ীভাৱে অন্ত পৰিব।

বিশ্ব নেতাসকলে আমেৰিকা আৰু ইৰানে তাৎক্ষণিক আৰু স্থায়ীভাৱে যুদ্ধবিৰতিৰ বাবে শান্তিচুক্তিৰ ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰাৰ ঘোষণাক আদৰণি জনাইছে। নেতাসকলে এই চুক্তিক অতি গুৰুত্বপূৰ্ণ কূটনৈতিক অগ্ৰগতি বুলি উল্লেখ কৰি কয়, যে ইয়াৰ জৰিয়তে পশ্চিম এছিয়াত স্থিৰতা ঘূৰাই অনাত সহায়ক হ'ব। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সচিব এণ্টনিঅ' গুটেৰেছেও শান্তি চুক্তিৰ ঘোষণাক আদৰণি জনাইছে।

উল্লেখযোগ্য যে আমেৰিকা, ইজৰাইল আৰু ইৰানৰ মাজৰ সংঘৰ্ষত তেহৰানৰ কেইবাগৰাকী শীৰ্ষ নেতাই প্ৰাণ হেৰুৱায়। ইয়াৰ ভিতৰত ইৰানৰ সৰ্বোচ্চ নেতা আয়াতুল্লাহ আলী খামেনেই, সৰ্বোচ্চ ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদৰ সচিব আলী লাৰিজানি, ইছলামিক ৰিভিলিউচানেৰী গাৰ্ড ক'ৰ্পছৰ কামাণ্ডাৰ মহম্মদ পাকপ'ৰ, প্ৰতিৰক্ষা মন্ত্ৰী আজিজ নাছিৰযাদে অন্যতম।

০০০০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত আজি ৪ গৰাকী লোকৰ সাক্ষ্য গ্ৰহণৰ বাবে দিন ধাৰ্য কৰা হৈছে। আজিৰ দিনটোত সাক্ষ্য গ্ৰহণৰ বাবে ৰাহুল গোস্বামী, গৌতম ভট্টাচাৰ্য, ৰাজ গোস্বামী, দিপাংকৰ ঠাকুৰীয়াক আদালতত উপস্থিত থাকিবলৈ কোৱা হৈছে। অৱশ্যে যোৱা ১২ জুনত অনুষ্ঠিত শুনানিত সময়ৰ অভাৱৰ বাবে সাক্ষ্য প্ৰদান কৰিব নোৱৰা সাক্ষীসকলৰো আদালতে আজি সাক্ষ্য গ্ৰহণৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ পাছতে ঘটনাৰ উচিত তদন্ত বিচাৰি ৰাজ্যৰ বিভিন্ন আৰক্ষী থানাত ভালেসংখ্যক এজাহাৰ দাখিল হৈছিল। যিসকল লোকে এই এজাহাৰ দাখিল কৰিছিল সেইসকল লোকৰে যোৱা ৮ জুনৰ পৰা আদালতে সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া গ্ৰহণ কৰিছে। অহা ২০ জুন পৰ্যন্ত এই এজাহাৰকাৰীসকলৰ আদালতে সাক্ষ্য গ্ৰহণ কৰিব। আমাৰ আগৰ বাতৰিতেই উল্লেখ কৰা হৈছে যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত মুঠ সাক্ষী হৈছে ৩৯৪ জন।

০০০০০০

কবি, সমাজ সংস্কাৰক তথা বড়ো জাতিৰ অন্যতম পথ প্ৰদৰ্শক ৰূপনাথ ব্ৰহ্মৰ আজি ওপজা দিন। বড়ো জাতিৰ স্বপ্নদ্ৰষ্টা ৰূপনাথ ব্ৰহ্ম আছিল অসমৰ প্ৰথমগৰাকী জনজাতীয় কেবিনেট মন্ত্ৰী। কোকৰাঝাৰ জিলাত জন্মগ্ৰহণ কৰা ব্ৰহ্মাই স্বাধীনতাৰ পূৰ্বৰ তথা স্বাধীনতাৰ পাছতো অসমৰ ৰাজনীতিত সক্ৰিয়ভাৱে জড়িত আছিল। তেওঁ বড়ো ব্ৰহ্ম ধৰ্মৰ প্ৰতিষ্ঠাপকৰূপেও জনা যায়। বড়ো ভাষা-সাহিত্যৰ বিকাশত বিশেষ অৱদান আগবঢ়োৱা ব্ৰহ্মাই ভালেসংখ্যক কবিতাৰ লগতে বড়ো জাতিৰ পৰিচয়, BODO-

KACHARI'S AND THEIR CULTURE নামৰ দুখন গ্ৰন্থও ৰচনা কৰিছিল। বড়ো জাতিৰ প্ৰবাদ পুৰুষ ৰূপনাথ ব্ৰহ্মৰ ১৯৬৮ চনত তেওঁৰ দেহাৱসান ঘটে।

oooooo

বিশিষ্ট গল্পকাৰ, ঔপন্যাসিক আৰু শিক্ষাবিদ লক্ষ্মীনন্দন বৰাৰ আজি ওপজা দিন। ভালেসংখ্যক গ্ৰন্থৰে অসমীয়া সাহিত্যলৈ বৰঙণি আগবঢ়োৱা লক্ষ্মীনন্দন বৰাই ১৯৯৬ চনত অসম সাহিত্য সভাৰ বোকাখাত অধিৱেশনত সভাপতিৰ আসন শুৱনি কৰিছিল। ১৯৮৮ চনত **পাতাল ভৈৰৱী** গ্ৰন্থৰ বাবে সাহিত্য একাডেমী বঁটা লাভ কৰা বৰাক ২০১৫ চনত পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰা হৈছিল। তেওঁৰ উপন্যাস **গঙা চিলনীৰ পাখিৰ** আধাৰত পদুম বৰুৱাই একেনামৰ অসমীয়া চিনেমা নিৰ্মাণ কৰিছিল। ২০২১ চনত মৃত্যু হোৱা এই গৰাকী বৰেণ্য সাহিত্যিকে অসম উপত্যকা সাহিত্য বঁটা, সৰস্বতী সন্মান আদি লাভ কৰাৰ লগতে **কায়কল্প, যাকেৰি নাহিকে উপাম** আদি ভালেমান উচ্চস্তৰৰ গ্ৰন্থ ৰচনা কৰিছিল।

oooooo

আই চি চি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে যোৱা নিশা বাৰ্মিংহামৰ এছবেষ্টনত অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত পাকিস্তানক ৬৪ ৰানত পৰাস্ত কৰে। পাকিস্তানে ১৭১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰতে আঠাইকেইটা উইকেট হেৰুৱাই ১০৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। দিপ্তী শৰ্মাই ৫টা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৭০ ৰান সংগ্ৰহ কৰে। দলৰ হৈ স্মৃতি মান্ধানাই সৰ্বাধিক ৬৮ ৰান কৰে। দিপ্তী শৰ্মাক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাৰ কালি আন এখন খেলত বাংলাদেশে নেডাৰলেণ্ডছক ৬ উইকেটত পৰাস্ত কৰে।

প্ৰতিযোগিতাত কাইলৈ গ্ৰুপ-বিৰ এখন খেলত নিউজিলেণ্ড শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৭ বজাত আৰম্ভ হ’ব। নিশা ১১ বজাত আৰম্ভ হ’বলগীয়া আন এখন খেলত ইংলেণ্ড আৰু আয়াৰলেণ্ড মুখামুখি হ’ব।

ইংলেণ্ড আৰু ৱেলছত অনুষ্ঠিত মাহজোৰা এই প্ৰতিযোগিতাৰ ফাইনেল অহা ৫ জুলাইত লৰ্ডছ ক্ৰিকেট গ্ৰাউণ্ডত অনুষ্ঠিত হ’ব।

oooooo

বিশ্বকাপ ফুটবলৰ কালি চতুৰ্থ দিনা গ্ৰুপ-ইৰ এখন খেলত জাৰ্মানীয়ে যোৱা নিশা প্ৰথমবাৰৰ বাবে বিশ্বকাপত অৱতীৰ্ণ হোৱা কুৰাচাওক ৭-১ গ’লৰ ব্যৱধানত পৰাস্ত কৰে। ইপিনে ডালাছত অনুষ্ঠিত নেডাৰলেণ্ডছ আৰু জাপানৰ মাজৰ খেলখন ২-২ গ’লত ড্ৰ’ হয়। প্ৰতিযোগিতাত আজি ভাৰতীয় সময় অনুসৰি পুৱা চাৰে ৪ বজাত অনুষ্ঠিত গ্ৰুপ-ইৰ এখন খেলত আইভৰী ক’ষ্টে ইকুৱেডৰক ১-০ গ’লৰ ব্যৱধানত পৰাস্ত কৰে।

ইপিনে গ্ৰুপ-এফৰ এখন খেলত ছুইডেন টিউনিছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। বাতৰি অহাৰ পৰলৈ ছুইডেন ৩-১ গ’লৰ ব্যৱধানত আগবাঢ়ি আছে।

oooooo

**১৭ জুনত ট্ৰাম্প-মোদীৰ আলোচনা, আগষ্ট মাহৰ পৰা নিয়মীয়াকৈ অৰুণোদয়ৰ ধন, ১ জুলাইৰ পৰা ৭০% বাছ ভাড়া বৃদ্ধি, লোকপিয়লত নিজ নিজ জনগোষ্ঠীৰ ভাষা, ধৰ্মীয় বিশ্বাসক স্পষ্টকৈ জনাবলৈ জনজাতীয় ৰাইজলৈ জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী**

সমিতিৰ আহ্বান- আদি ভিন ভিন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকত সমূহে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কৃষি বিভাগত জালিয়াতিৰে ৬৮৩ কোটি টকা মোকলাই নিয়াৰ তথ্য ফাদিল হোৱাৰ বাতৰি এটা **দৈনিক অসম** কাকত খনে প্ৰথম পৃষ্ঠাত- **জালত পৰিব দুৰ্নীতিগ্ৰস্ত ৩৫ কৃষি বিষয়া**-এই শিৰোণামেৰে প্ৰথম পৃষ্ঠাত সবিস্তাৰে প্ৰকাশ কৰিছে। শিলিগুৰি-শিলচৰলৈ হ'ব এক্সপ্ৰেচ হাইৱে'- মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ফেচবুক লাইফযোগে এইদৰে ঘোষণা কৰাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰকাশ কৰিছে। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ভাৰত-ভূটান সীমান্তত অবৈধভাবে ভাৰতত প্ৰৱেশ কৰা ৯ জন বাংলাদেশী নাগৰিকক বাংলাদেশে গ্ৰহণ নকৰাত জিৰ'লেগুতে আবদ্ধ হৈ থাকিবলগীয়া হোৱাৰ বাতৰি এটা **অসমীয়া প্ৰতিদিন** কাকতখনে প্ৰথম পৃষ্ঠাত স্থান দিছে। নৱনিৰ্মিত ৰাম মন্দিৰত সংঘটিত বিত্তীয় কেলেংকাৰীৰ তদন্তৰ বাবে যোগী চৰকাৰে এছ আই টি গঠন কৰাৰ বাতৰি **আমাৰ অসম** কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। কাৰ্বি আংলঙৰ হস্ততাঁত, বিহুৰ পেঁপা,বাঁহ শিল্প আৰু দেউৰী হস্ততাঁত সামগ্ৰীয়ে জি আই টেগ লাভ কৰাৰ বাতৰি দৈনিক জনমভূমি, দি আছাম ট্ৰিবিউন আদি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। অসমত চৰকাৰী প্ৰাথমিক বিদ্যালয়ত নামভৰ্তি উদ্বেগজনকভাবে হ্ৰাস পোৱাৰ বাতৰি এটা **দৈনিক অগ্ৰদূত** কাকতে - **এবছৰতে ১.৭৩ লাখ নামভৰ্তি হ্ৰাস –** এই শিৰোণামাৰে তথ্য সহকাৰে প্ৰকাশ কৰিছে। যোৱা ৫ বছৰত অসমত দুহেজাৰ ২৪১ জন এইচ আই ভি আক্ৰান্ত লোকৰ মৃত্যু হোৱাৰ বাতৰি **দা চেন্টিনেল** কাকতে প্ৰকাশ কৰিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ ঠাই বিশেষে বিজুলী-ঢেৰেকনিৰে মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**